RNI REGN. No. : ASS
epaper.asoma
Portal : www.asc
e-mail : asomadi

# অসম আদিত্য

সংখ্যা ১৫৪ ■ ২৫ জেঠ, ১৯৪৮ শক ■ মঙলবাৰ, ৯ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, June 9, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত



### কানৈ কলেজত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# জ্ঞানৰ লগতে শিক্ষাৰ্থীক দক্ষতাৰো প্ৰয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ৮ জুন ঃ** 'ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান আহৰণৰ লগতে দক্ষতা আহৰণো সমানেই প্ৰয়োজন। পৰীক্ষাৰ নম্বৰৰ ওপৰতে নিৰ্ভৰ নকৰি ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগিব।' ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ ইংৰাজী বিভাৱ উদ্যোগত অধ্যাপিকা ড০ হানিফা ৰহমানৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'ইংলিছ লেংগুৱেজ এণ্ড কমিউনিকেশ্যন স্কীলছ' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে গ্ৰন্থখন উন্মেচন কৰি কয়— এই গ্ৰন্থখন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ এক উল্লেখযোগ্য শৈক্ষিক সাফল্য। ব্যস্ততাপূৰ্ণ সময়ৰ মাজতে গ্ৰন্থ প্ৰকাশৰ দৰে এক মহান কাম কৰি ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ উপহাৰ দিয়াৰ বাবে বিভাগৰসমূহ অধ্যাপক-অধ্যাপিকাক ধন্যবাদ জ্ঞাপন কৰি তেওঁ কয়— ইংৰাজী ভাষা আৰু যোগাযোগৰ দক্ষতা উন্নত কৰিব বিচৰা শিক্ষাৰ্থীসকলৰ বাবে এই গ্ৰন্থখন এক মূল্যবান সহায়ক গ্ৰন্থ হিচাপে পৰিগণিত হ'ব। অধ্যক্ষগৰাকীয়ে কয়— নতুন শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ বাবে পাঠ্যক্ৰম সংলগ্ন কৰিছে বুলি মত প্ৰকাশ কৰি কয়— বজাৰত পাঠ্যপুথিৰ অভাৱ বুলি দীৰ্ঘদিন ধৰি উঠি অহা অভিযোগ এই গ্ৰন্থখন প্ৰকাশ হোৱাৰ লগে লগে নোহোৱা হ'ব। দ্বিতীয় ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ বাবে প্ৰস্তুত কৰা এই গ্ৰন্থখনে ছাত্ৰ-ছাত্ৰীসকলক বহুখিনি উপকৃত কৰিব। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মধুমিতা পুৰকায়স্থই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত তেওঁ কয়— শিক্ষকসকল সাধাৰণতে পাঠ্যক্ৰম প্ৰস্তুতি, পৰীক্ষা-সম্পৰ্কীয় দায়িত্ব আৰু বিভিন্ন শৈক্ষিক কৰ্মব্যস্ততাৰ মাজত নিয়োজিত থাকে, গ্ৰন্থ প্ৰকাশৰ দৰে গুৰুত্বপূৰ্ণ কামৰ পৰা আঁতৰি থাকে। এনেধৰণৰ গ্ৰন্থ প্ৰকাশে শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশ অধিক সমৃদ্ধ কৰাৰ লগতে গৱেষণা তথা বিদ্যাচৰ্চাৰ সংস্কৃতি গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। তেওঁ ইংৰাজী বিভাগৰসমূহ অধ্যাপক-অধ্যাপিকাৰ লগতে গ্ৰন্থখনৰ স'তে জড়িত অন্যান্য কৰ্মকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰে আৰু গ্ৰন্থখনে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা কৌস্তুভ প্ৰকাশনৰ স্বত্বাধিকাৰী বীৰেণ বৰুৱাই মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে গ্ৰন্থখনি ইংৰাজী বিভাগৰ অধ্যাপিকা ড০ তৃষ্ণা দুৱৰা কলিতা, অধ্যাপিকা অদিতি কোঁৱৰ গগৈ, অধ্যাপক বেদান্ত বিকাশ গগৈ, অধ্যাপিকা ড০ লুলু মৰিয়ম বৰগোহাঁই, অধ্যাপিকা ড০ হেনৰিয়েটা হুদা, অধ্যাপিকা ড০ হানিফা ৰহমান আৰু অধ্যাপিকা স্বাতী চক্ৰৱৰ্তীয়ে বিভিন্ন অধ্যায় ৰচনা কৰি গ্ৰন্থখন প্ৰকাশ কৰি উলিওৱাত অৱদান যোগায়। অনুষ্ঠানটিত ইংৰাজী বিভাগৰ সমূহ অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।